# <u>চেক্রেটাৰী সৎসঙ্গ-প্ৰদত্ত নিৰ্দেশিকা, ১৫-০৬-২০২০</u>

**(ASSAMESE)**

ভাৰতত সম্প্ৰতি বিভিন্ন ক্ষেত্ৰেত কেন্দ্ৰীয় আৰু বিভিন্ন ৰাজ্য চৰকাৰে লকডাউন বিধি শিথিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে এই শিথিলতা সকলো স্হানতে সমানভাৱে প্ৰযোজ্য নহয়।

মহামাৰি কোভিড-১৯-ৰ প্ৰকোপৰ তীব্ৰতা অনুযায়ী চৰকাৰে যি স্থান সমূহ জোন হিচাপে ভাগ কৰিছে, সেই স্থান সমূহত শিথিলতাও তদনুক্ৰমে প্ৰযোজ্য। সময়-সময়ে চৰকাৰী যি সমস্ত নীতি-নিৰ্দেশনা প্ৰকাশিত হৈছে অথবা স্থানীয় প্ৰশাসনে য'ত যেনেভাৱে বিধিৰ কঠোৰতা বা শিথিলতা বলবৎ কৰিছে, সকলো ঠাইতে সেই অনুপাতে এই নীতি-নিৰ্দেশনা মানিব লাগিব।

**সমস্ত সৎসঙ্গ কেন্দ্ৰ, মন্দিৰ, বিহাৰ, উপযোজনা কেন্দ্ৰ তথা ভক্ত-অনুৰাগীয়ে যাতে সকলো অৱস্থাতে চৰকাৰী বিধিৰ পৰিপালন কৰি চলে, এই বিষয়ে সকলোকে বিশেষ ভাৱে অৱগত কৰা হৈছে।**

বিভিন্ন সমস্যাৰ সংক্ৰান্তত অনেক প্ৰশ্ন, জিজ্ঞাসা, অনুসন্ধান দীৰ্ঘদিন ধৰি কেন্দ্ৰ সৎসঙ্গ দেওঘৰলৈ আহি আছে, এই সকলোবোৰৰ ভিত্তিতে প্ৰশ্নোত্তৰৰ মাধ্যমেৰে (FAQ) সমাধানমূলক নিৰ্দেশিকা প্ৰকাশ কৰা হল ।

**<u>এই নিৰ্দেশিকা বিশেষকৈ বৰ্তমান পৰিস্থিতিৰ উদ্দেশ্যেই প্ৰদত্ত,স্বাভাৱিক পৰিস্থিতিত যাৰ অধিকাংশই পালনীয় নহবও পাৰে।</u>**

## <u>ইষ্টভৃতি জমা সংক্ৰান্তত</u>

**প্ৰশ্নঃ –**

★★ বৰ্তমান পৰিস্থিতিত ইষ্টভৃতি জমা দিয়াৰ বিষয়ে কি নিৰ্দেশ?

নিজৰ ওচৰত লকডাউন-কালীন জমা হৈ থকা ব্যক্তিগত বা পৰিয়ালৰ ইষ্টভৃতি অৰ্ঘ্যাদি ক'ত কিভাৱে জমা দিয়া যাব?

**<u>উত্তৰঃ</u>–**

**★ বৰ্তমান পৰিস্থিতিত ফিলানথ্ৰপীৰ কোনো কাউন্টাৰতেই ব্যক্তিগত ভাৱে অৰ্ঘ্য জমা দিয়াৰ ব্যৱস্থা স্থগিতই থাকিব।**

**★ প্ৰত্যেককে নিজ নিজ এলেকাত সম্ভাব্যতা অনুযায়ী স্থানীয় উপযোজনা কেন্দ্ৰত অৰ্ঘ্য জমা দিয়াৰ কথা জনোৱা হৈছে।**

যি যি স্থানত লকডাউন তুলি লোৱা হৈছে বা শিথিল কৰা হৈছে, স্থানীয় প্ৰশাসনৰ পৰা সকলো ভালভাৱে অৱগত হৈ উপযোজনা কেন্দ্ৰ সমূহত ইষ্টভৃতি সংগ্ৰহৰ ব্যৱস্থা আৰম্ভ কৰাৰ সিদ্ধান্ত লব লাগিব। যি-সমূহ অঞ্চলত জনসাধাৰণৰ স্বাভাৱিক

যাতায়াতৰ কোনো প্ৰতিবন্ধকতা নাই আৰু উপযোজনা কেন্দ্ৰসমূহ পুনৰায় আৰম্ভ কৰাটো সম্ভৱ, সেই অঞ্চলৰ ব্যক্তিসকলে নিজ-নিজ উপযোজনা কেন্দ্ৰৰ লগত ফোনত যোগাযোগ কৰি, কেতিয়া কেনেকৈ অৰ্ঘ্য জমা দিবলৈ যাব এই বিষয়ে জানি লৈ সেই অনুযায়ী জমা দিব।

উপযোজনা কেন্দ্ৰৰ পৰিচালকসকল সময় বিন্যস্ত কৰি সম্ভাব্যতা অনুযায়ী আঞ্চলিক দীক্ষিত লোকসকলক অৱগত কৰাৰ প্ৰয়াস কৰিব আৰু যতদূৰ সম্ভৱ পৃথক সময় ভাগ কৰি লোকসকলক যাবলৈ নিৰ্দেশ দিব।

**★ একেসময়তে বহু মানুহৰ একত্ৰে সমাবেশ যাতে নহয়, সেইদিশত কঠোৰ নিয়ন্ত্ৰণ ৰাখিব লাগিব।**

**★ বৰ্তমান পৰিস্থিতিত প্ৰয়োজন হলে উপযোজনা কেন্দ্ৰসমূহে একাধিক দিনত অৰ্ঘ্য জমা লব পাৰে।**

**★ কিন্তু যিদিনা যি অৰ্ঘ্য জমা লোৱা হব, সেইদিনাই যেন বেংকত সৎসঙ্গৰ নিৰ্দিষ্ট একাউন্টত সেয়া জমা কৰি দিয়া হয়।**

**প্ৰশ্নঃ–**

★★ দীৰ্ঘদিন জমা হৈ থকা ইষ্টভৃতিৰ অৰ্ঘ্য একেলগে জমা দিয়া যাব নে? যদি যায়, তেনেহলে দুখন-তিনিখন পৃথক ফৰ্মত, নে একেখন ফৰ্মতে জমা হব?

**উত্তৰঃ–**

**যিমান দিনৰ ইষ্টভৃতি জমা আছে, সকলো একেখন ফৰ্মতে জমা হব। কিমান মাহৰ ইষ্টভৃতি, সেইটো উল্লেখ কৰি দিলেই হব।**

**★ উদাহৰণ-স্বৰূপে, যদি মাহত 50/- প্ৰেৰণ কৰা হয় আৰু তিনি মাহত 150/- হয়, তেনেহলে পঠোৱাৰ সময়ত মাত্ৰ 150/- নিলিখি 50/- × 3 = 150/- লিখিলে বুজা যাব সেয়া তিনি মাহৰ ইষ্টভৃতিৰ অৰ্ঘ্য।**

**প্ৰশ্নঃ–**

★★ সৎসঙ্গৰ প্ৰদত্ত বেংক একাউন্টসমূহত(Power Jyoti) ব্যক্তিগত ভাবে অৰ্ঘ্য জমা দিয়াটো বাধ্যতামূলক নেকি? বেংকৰ মাধ্যমেৰে ইষ্টভৃতি পঠোৱাৰ ব্যৱস্থা থাকিলেও, সকলোৰে পক্ষে বিভিন্ন কাৰণবশতঃ সেই ব্যৱস্থাৰে অৰ্ঘ্য পঠোৱাটো সম্ভৱ হব পৰা নাই। এই ক্ষেত্ৰত কি কৰণীয়?

**উত্তৰঃ–**


©SATSANG

সৎসঙ্গৰ বেংক একাউন্টসমূহত তুলনামূলক ভাবে নিজৰ কম পৰিমাণৰ ব্যক্তিগত অৰ্ঘ্য জমা দিয়াটো, বিশেষতঃ বৰ্তমান পৰিস্থিতিত নিঃসন্দেহেই অসম্ভবপ্ৰায় বিষয়। কিন্তু ব্যক্তিগত অৰ্ঘ্য জমা দিয়াৰ ক্ষেত্ৰত সেইয়া কোনোমতেই বাধ্যতামূলক নহয়, আৰু চোছিয়েল মিডিয়াত প্ৰকাশিত জাননীতো সেভাবেই উল্লেখ কৰা হৈছিল। উপযোজনা কেন্দ্ৰ ইত্যাদিত, য'ত অনেকৰ সম্মিলিত বৃহত পৰিমাণৰ অৰ্ঘ্য জমা হয়, বেংক একাউন্টসমূত তেওঁলোকেই জমা কৰিব।

**প্ৰশ্নঃ–**

**★★ উপযোজনা কেন্দ্ৰসমূহত এতিয়া ইষ্টভৃতি সংগ্ৰহ কৰিব পাৰিবনে?**

**'অৰ্ঘ্য-প্ৰদাতা' ব্যক্তি তথা 'গ্ৰহীতা' কেন্দ্ৰ/মন্দিৰ/উপযোজনা-কেন্দ্ৰৰ কৰ্তৃপক্ষ– উভয়ৰে ক্ষেত্ৰত উপযোজনা কেন্দ্ৰ বা কেন্দ্ৰ-মন্দিৰত অৰ্ঘ্য জমা-সংক্ৰান্তত সুস্পষ্ট নিৰ্দেশ কী?**

**সকলোৱে একেদিনাই ইষ্টভৃতি জমা দিব নে বিভিন্ন দিনত জমা দিব?**

**এইক্ষেত্ৰত সামাজিক দূৰত্ব ৰক্ষাৰ বিষয়ে কি নিৰ্দেশ আছে?**

**বেংকৰ মাধ্যমেৰে অৰ্ঘ্য জমা দিয়া সকলৰ প্ৰতি কি বিশেষ নিৰ্দেশনা?**

**উত্তৰঃ–**

**★ সকলোৱে বিশেষভাৱে মনত ৰাখিব যে, সৎসঙ্গৰ কোনো বেংক একাউন্টত online অৰ্ঘ্য নপঠিয়াব, কাৰণ, সেই অৰ্ঘ্য কোন উদ্দেশ্যে পঠিওৱা হৈছে তাৰ কোনো নিৰ্দিষ্ট তথ্য বা বিবৰণী লগত নপঠিয়ালে সেয়া কিন্তু শ্ৰীশ্ৰীঠাকুৰৰ কোনো সেৱাৰ উদ্দেশ্যেই ব্যৱহাৰ কৰা নাযায়, বৰং হিচাপ ৰক্ষাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয়।**

**★ ব্যক্তিগত ভাবে যিসকলে ফিলানথ্ৰপীৰ কাউন্টাৰত নিজৰ ইষ্টভৃতি অৰ্ঘ্য জমা দিয়ে বা ফিলানথ্ৰপীৰ কাউন্টাৰত যিসকলে লট লৈ আহে, তেওঁলোকক বিশেষভাবে অবগত কৰা হৈছে যে – দেওঘৰ, কলকাতাৰ অমৰধাম, শিলিগুড়ি, গুৱাহাটী, ভুবনেশ্বৰ, সম্বলপুৰ সৎসঙ্গ বিহাৰ সমূহৰ ফিলানথ্ৰপী কাউন্টাৰত পোনে-পোনে কোনেও অৰ্ঘ্য জমা দিবলৈ নাযাব ।**

**★ ফিলানথ্ৰপীত কেবলমাত্ৰ কেন্দ্ৰ-মন্দিৰৰ পৰা প্ৰাপ্ত লট অথবা By Post / Courier Service'ৰ মাধ্যমেৰে প্ৰাপ্ত লটহে গ্ৰহণ কৰা হব। আকৌ By Post / Courier Service'ত অহা লট সমূহ কোনোবাই ব্যক্তিগত ভাবে পঠালে নহব। সেইসমূহ উপযোজনা কেন্দ্ৰ বা কেন্দ্ৰ-মন্দিৰৰ পৰাই যেন পঠোৱা হয়।**


©SATSANG

ব্যক্তিগত অৰ্ঘ্য নিজ এলেকাৰ উপযোজনা কেন্দ্ৰৰ মাধ্যমেৰে সৎসঙ্গ কেন্দ্ৰ-মন্দিৰ-বিহাৰ ইত্যাদিত ডিপ'জিট স্লিপ ফিল-আপ আৰু স্বাক্ষৰ কৰি জমা কৰিব লাগিব।

★ যিসকলে এই পৰ্যন্ত ব্যক্তিগত ভাবে বেংকত অৰ্ঘ্য জমা দিছে, তেওঁলোকে তেওঁলোকৰ বেংক চালানৰ **Satsang Copy, Devotee Copy** আৰু স্বাক্ষৰিত ডিপ'জিট স্লিপ একেলগে স্টেপল কৰি উপযোজনা কেন্দ্ৰত জমা কৰি দিলে সংশ্লিষ্ট কেন্দ্ৰৰ তত্বাৱধানত অৰ্ঘ্য-প্ৰস্বস্তি পাব।

**এই ক্ষেত্ৰত উপযোজনা কেন্দ্ৰৰ কৰ্মীসকলক বাৰে বাৰে অবগত কৰা হৈছে যে, ব্যক্তিগত অৰ্ঘ্যদাতাসকলৰ ডকুমেন্টবিলাক লটৰ লগত নিমিলাই, সেই একক স্লিপ আৰু চালানসমূহ একত্ৰিত কৰি, পৃথকভাৱে উল্লেখ কৰি কেন্দ্ৰ-মন্দিৰত জমা কৰিব লাগিব। আৰু কেন্দ্ৰ-মন্দিৰৰ কৰ্মী সকলেও সেইসমূহ তেনেভাবেই পৃথককৈয়ে ফিলানথ্ৰপীত জমা কৰিব।**

**★ যি সমস্ত অঞ্চলত সৎসঙ্গ কেন্দ্ৰ, উপযোজনা কেন্দ্ৰ, মন্দিৰৰ সংখ্যা কম বা য'ত একেবাৰেই নাই, সেই সমস্ত অঞ্চলৰ ভক্তগণে পূৰ্বৰ দৰেই ব্যক্তিগত বা সমষ্টিগত অৰ্ঘ্য নিজেই হওক বা উপযোজনা কেন্দ্ৰৰ মাধ্যমেৰে হওক, নিৰ্দিষ্ট Bank Account'ত জমা কৰি, Registered Speed Post অথবা Courier Service'ৰ মাধ্যমেৰে অৰ্ঘ্য-প্ৰদাতাৰ স্বাক্ষৰ-সম্বলিত অৰ্ঘ্য-বিবৰণী (Deposit Slip) আৰু বেংকৰ চীল লগোৱা ৰছিদৰ Satsang Copy আৰু Devotee Copy সৎসঙ্গ দেওঘৰৰ ফিলানথ্ৰপীত পঠিয়াব।**

**★ সমস্ত কেন্দ্ৰ-মন্দিৰৰ কৰ্মীসকলে এটি বিষয়ত বিশেষ লক্ষ্য ৰাখিব লাগিব যে- বিভিন্ন উপযোজনা কেন্দ্ৰৰ পৰা অহা লট আৰু বেংক চালানসমূহ যেন একেলগ কৰি পেলোৱা নহয়। লটসমূহ যিভাবে তেওঁলোকে পাইছে সেই অনুযায়ী সজাই আৰু হিচাব মিলাই, পৃথক পৃথক ভাবেই ফিলানথ্ৰপীত জমা দিব লাগিব।**

**★ উপযোজনা কেন্দ্ৰৰ কৰ্মীসকলক জনোৱা হৈছে যে, তেওঁলোকৰ উপযোজনা কেন্দ্ৰ যি কেন্দ্ৰ-মন্দিৰ-বিহাৰৰ লগত যুক্ত, তাৰ পৰিচালকৰ লগত ফোনত যোগাযোগ কৰি তেওঁলোকে দিয়া নিৰ্দিষ্ট সময়ত গৈ লট আৰু সংশ্লিষ্ট ডকুমেন্ট জমা কৰিব।**

★ কেন্দ্ৰ-মন্দিৰসমূহৰ পৰা ফিলানথ্ৰপী কাউন্টাৰত ফোনত যোগাযোগ কৰি সময় মতে আহি বিভিন্ন উপযোজনা কেন্দ্ৰৰ পৰা সংগৃহিত লট জমা দিব আৰু অৰ্ঘ্য-

প্ৰস্বস্তি প্ৰিন্ট কৰা হৈছে নে নাই পুনৰায় ফোন কৰি জানি সংগ্ৰহ কৰিব বা পৰবৰ্তী মাহৰ লট জমা দিয়াৰ সময়ত পূৰ্ব মাহৰ অৰ্ঘ্য-প্ৰস্বস্তিৰ লট সংগ্ৰহ কৰিব।

**প্ৰশ্নঃ–**

**★★ নববৰ্ষ পৰ্যন্ত জমা হৈ থকা দীক্ষাপ্ৰণামী আৰু দীক্ষাপত্ৰ জমা দিয়াৰ ক্ষেত্ৰত কি নিৰ্দেশ?**

**★★ বিগত নববৰ্ষ উৎসবৰ অৰ্ঘ্য আৰু ৰছিদ বহি জমা দিয়াৰ ক্ষেত্ৰত কি নিৰ্দেশ?**

**উত্তৰঃ–**

ব্যক্তিগত ইষ্টভৃতি প্ৰেৰণৰ সময়ত পৃথক ডিপ'জিট স্লিপত উল্লেখ কৰি দীক্ষা-প্ৰণামী আৰু উৎসৱ অৰ্ঘ্যৰ **নিৰ্দিষ্ট ক'ড UTSAV'ত Beneficiary'ৰ নাম উল্লেখ কৰি** পঠিয়াব পৰা যাব।

**★ সকলো কৰ্মীয়ে বিশেষভাবে মনত ৰখা উচিত, দীক্ষাকালীন ঠাকুৰ-প্ৰণামীৰ ক'ড DPRNM আৰু আচাৰ্য্য-প্ৰণামীৰ ক'ড APRNM ।**

**★ কোন কৰ্মীৰ উৎসৱ অৰ্ঘ্য জমা হৈছে, তেওঁৰ নাম (Beneficiary Name) উল্লেখ নকৰাকৈ দিলে অৰ্ঘ্য জমা লোৱাত খুব অসুবিধা হয়।**

দেওঘৰ অহাৰ যথোচিত পৰিস্থিতি যেতিয়া হব, দীক্ষাপত্ৰ আৰু ৰছিদ বহি তেতিয়াহে জমা দিব পৰা যাব। ইয়াৰ ব্যতিৰেকে, যদি কোনো পৃথক উপায় পিছত নিৰ্দেশিত হয়, সকলোকে সেই সম্বন্ধে সময়মতে অবগত কৰা হব।

**★ নিবেদক ব্যক্তি বা পৰিয়ালৰ দ্বাৰা উপযোজনা কেন্দ্ৰ হৈ কেন্দ্ৰ-মন্দিৰৰ মাধ্যমেৰে ফিলানথ্ৰপীলৈ ইষ্টাৰ্ঘ্য পঠিওৱা- এই ধাৰাবাহিক প্ৰক্ৰিয়াটো সকলোৱে মনত ৰখা আৰু যথাযথভাবে পৰিপালন কৰাটোৱেই কৰ্তব্য।**

## বিশেষভাবে মনত ৰাখিব লাগিব–

**১। সংক্ৰমণৰ কোনো সুযোগ যেন নঘটে সেই দিশে সকলোৱে চকু দিব লাগিব। কোনো প্ৰকাৰৰ গাত-গা লগা-লগি হোৱা, জন-সমাগমৰ সৃষ্টি হোৱা, এইবোৰ কঠোৰভাবে নিয়ন্ত্ৰণ কৰিব লাগিব। সামাজিক দূৰত্ব, চেনিটাইজেছন, মাস্ক ব্যবহাৰ কৰা** একান্তই **অনিবাৰ্য।**

২।পূৰ্বে যোগাযোগ নকৰাকৈ বা পৰিচালকসকলৰ সন্মতি অবিহনে কোনেও উপযোজনা কেন্দ্ৰ বা কেন্দ্ৰ-মন্দিৰসমূহত অৰ্ঘ্য বা ডকুমেন্ট জমা দিবলৈ নাযাব।

৩।আকৌ, উপযোজনা কেন্দ্ৰৰ পৰা বা ব্যক্তিগত ভাবে, কেন্দ্ৰ-মন্দিৰ মাধ্যমৰ বাহিৰে, পৃথক ভাবে কোনেও ফিলানথ্ৰপীৰ কাউন্টাৰত অৰ্ঘ্য বা ডকুমেন্ট জমা দিবলৈ নাহিব। আহিলেও সেইয়া গ্ৰহণ কৰা সম্ভৱ নহব।

৪।প্ৰত্যেক ডিপ'জিট স্লিপত অৰ্ঘ্যদাতাৰ স্বাক্ষৰ থকা বাধ্যতামূলক। উপযোজনা কেন্দ্ৰৰ কৰ্মীসকলে ভালদৰে নিৰীক্ষণ কৰিব স্বাক্ষৰ আছে নে নাই। একে পৰিবাৰৰ বা ফ্যামিলি ক'ডত থকা সকলোৱে স্বাক্ষৰ কৰাৰ প্ৰয়োজন নাই। সেইক্ষেত্ৰত পৰিবাৰৰ এজনে স্বাক্ষৰ কৰিলেই হব।

৫।সৎসঙ্গৰ বেংক একাউন্টবিলাকৰ চালান ফৰ্মৰ তিনিটা খণ্ডৰ এটি (Bank Copy) বেংকত জমা ৰাখিব, আৰু বাকি দুটাতে (Satsang Copy আৰু Devotee Copy) বেংকৰ চীল লগাই ফিলানথ্ৰপীত জমা কৰিব লাগিব। পিছত ফিলানথ্ৰপীৰ পৰা Devotee Copy ওভতাই দিয়া হব, যি জমা দিয়াৰ দলিল বা ৰছিদ হিচাপে নিজৰ ওচৰত ৰাখিব লাগিব।

৬। বেংকত অৰ্ঘ্য জমা দিয়াৰ সময়ত কেবল লক্ষ্য ৰাখিব লাগিব যে, বেংক-কৰ্মীসকলে যথাযথ চীল লগাইছে নে নাই।

৭। লোকবল কম থকাৰ কাৰণে হয়তো লগে লগে লটৰ অৰ্ঘ্য-প্ৰস্বস্তি পোৱাটো সম্ভৱ নহব। সেইক্ষেত্ৰত, ফিলানথ্ৰপীৰ যি কেন্দ্ৰত জমা দিয়া হব, তাৰ দায়িত্বশীল ব্যক্তিৰ ফোন নম্বৰ ৰাখিব লাগিব আৰু নিজৰ নম্বৰো জনাই থব লাগিব, যাতে প্ৰিন্ট কৰা হৈ গলে খবৰ দিয়া-লোৱা কৰি প্ৰস্বস্তিৰ লট পুনৰাই গৈ সংগ্ৰহ কৰিব পৰা যায়।

★★ ডিপ'জিট স্লিপ আৰু বিভিন্ন বেংক চালান ডাউনলোড কৰাৰ কাৰণে ক্লিক কৰক– www.satsang.org.in/forms

## কেন্দ্ৰ মন্দিৰত যাতায়াত সংক্ৰান্ত

প্ৰশ্ন:–

★★ কেন্দ্র-মন্দিৰসমূহ কেতিয়াৰ পৰা খোলা যাব? কেন্দ্র-মন্দিৰসমূহত স্বাভাবিকভাবে প্ৰবেশ আৰু অৱস্থানৰ সময়সীমাৰ বিষয়ে কি কি বিধিনিষেধ? একেলগে কেন্দ্র-মন্দিৰসমূহত কেইজন আহিব পাৰিব? কেন্দ্র-মন্দিৰসমূহ খোলা আৰু বন্ধ ৰখাৰ নিয়ম তথা সময়সীমা কি থাকিব? কোনো কোনো স্থান Red Zone ঘোষিত হোৱাত সেই স্থানৰ কেন্দ্র-মন্দিৰ খোলাৰ বিষয়ে বিশেষ কোনো নিৰ্দেশ আছে নেকি?

**উত্তৰ:—**

যি অঞ্চলত লকডাউন তুলি লোৱা হৈছে বা শিথিল কৰা হৈছে, সেই ঠাইৰ স্থানীয় প্ৰশাসনিক কৰ্তৃপক্ষৰ লগত পৰামৰ্শ কৰি দিনৰ বেলা ভোগৰ সময়ক বাদ দি, দুই-এঘন্টা মানৰ কাৰণে ভক্তসাধাৰণৰ প্ৰণাম নিবেদনাৰ্থে এবাৰত ৭/৮ জনকৈ প্ৰবেশ কৰিবলৈ দিয়া যাব পাৰে। কিন্তু প্ৰণাম কৰি বেছি সময় কোনেও যেন অৱস্থান নকৰে।

ৰেড জোনত কোনো প্ৰকাৰেই কেন্দ্র-মন্দিৰাদি খোলা নহব। তেতিয়া সংক্ৰামিত হোৱাৰ সম্ভাবনা বহুলাংশই বাঢ়ি যাব পাৰে।

**সৰ্বাবস্থাতে স্থানীয় প্ৰশাসনিক বিধি-নিষেধ মানি চলিব লাগিব। চোচ্ছিয়েল ডিসট্যান্সিং, চেনিটাইজেছন, ফেচ মাস্কৰ বাধ্যতামূলক প্ৰয়োগ যেন কঠোৰ ভাবে কৰা হয়। যেতিয়াই তেতিয়াই নিজ নিজ সময় অনুযায়ী কেন্দ্র-মন্দিৰলৈ অহা যেন ৰোধ কৰা হয়।**

প্ৰশ্ন:–

★★ প্ৰাৰ্থনাৰ সময়ত কেন্দ্র-মন্দিৰসমূহত কেইজন আহিবলৈ দিয়া হব? কেন্দ্র মন্দিৰসমূহত সৎসঙ্গৰ আয়োজন কৰা যাব নে? কৰা হলে সেয়া কেনে ভাবে? কেন্দ্র-মন্দিৰ, উপযোজনা কেন্দ্ৰসমূহত সৎসঙ্গ বা পাৰিবাৰিক/গৃহ-সৎসঙ্গ কৰা যাব নে, আৰু কৰিলে কি পদ্ধতিত আৰু উপস্থিতিৰ সংখ্যা কিমান ৰাখিব পৰা যাব?

★★ কেন্দ্র-মন্দিৰত প্ৰাৰ্থনা বা সৎসঙ্গত মাইকৰ ব্যৱহাৰ কৰা যাব নে?

**★★ কেন্দ্ৰ-মন্দিসমূহত পালন হোৱা অনুষ্ঠানবিলাকৰ উপলক্ষে সৎসঙ্গ আৰু ভান্ডাৰাৰ আয়োজন কৰা যাব নে নাই? স্থানীয় উৎসবাদিৰ আয়োজনৰ ক্ষেত্ৰত কি কৰা হব?**

**উত্তৰঃ—**

**যি সকল দৰ্শনাৰ্থী বাহিৰৰ পৰা আহিব তেওঁলোকক এই মুহূৰ্তত প্ৰাৰ্থনাৰ সময়ত কেন্দ্ৰ-মন্দিৰত সোমোৱাত বিৰত ৰখাই প্ৰয়োজন।** আৰো কিছুদিন অতিবাহিত হলে, পৰিস্থিতি অনুধাবন কৰি সিদ্ধান্ত লোৱা যাব।

মানুহ সমবেত হৈ কৰবাত সৎসঙ্গ বা মাতৃ-সম্মিলন কৰিবলৈ গলে, প্ৰশাসনিক সিদ্ধান্ত মান্য কৰা অনিবাৰ্য্য আৰু সৰ্বোপৰি নিজৰ লগতে আনৰ সংক্ৰামণৰ সুযোগ সৃষ্টি কৰা—এই বিষয়বিলাক লক্ষ্য ৰাখিব লাগিব। গতিকে, **আপাততঃ আৰু কিছুদিন এই সকলোবোৰ স্থগিত ৰখাই শ্ৰেয়।**

কেন্দ্ৰ মন্দিৰসমূহত বৰ্তমানে সৎসঙ্গ হলে মানুহ সমবেত হবই। বহিৰাগতৰ যোগদান তথা লোকজনৰ সমবেত হোৱা বৰ্তমান পৰিস্থিতিত অভিপ্ৰেত নহয়। **যিসকলে একেলগে বাস কৰে, তেওঁলোকে সমবেত ভাবে সৎসঙ্গ কৰিলে কোনো অসুবিধা নাই। কমসংখ্যক মানুহৰ উপস্থিতিত সৎসঙ্গ কৰিব পৰা গলেও কোনো অবস্থাতে সমাবেশ কৰা নাযাব।**

**সৎসঙ্গ বিহাৰ, শ্ৰীমন্দিৰ, উপাসনা কেন্দ্ৰ, সৎসঙ্গ কেন্দ্ৰ (স্থায়ী/অস্থায়ী), অধিবেশন কেন্দ্ৰবিলাকত এতিয়াও কিছুদিন মাইক ব্যবহাৰ স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে।**

কেন্দ্ৰ-মন্দিৰসমূহত পালিত হোৱা অনুষ্ঠানবিলাকত পৰিস্থিতি অনুযায়ী যেতিয়া যি যেনেভাৱে পালন কৰা যায়, তেনেভাৱেই কৰিব লাগিব। **যদি বচা-বঢ়াৰ প্ৰয়োজনত সমবেত আনন্দ-উল্লাস, উৎসবাদি উদযাপন স্থগিত ৰাখিব লাগে, তেনেহলে সেয়াই কৰিব লাগিব। তদুপৰি, এইক্ষেত্ৰতো প্ৰশাসনিক সিদ্ধান্ত মান্য কৰা আৰু প্ৰশাসনিক অনুমতি ব্যতিৰেকে কোনো জনসমাগম নকৰাই বাঞ্চনীয়।**

**প্ৰশ্নঃ–**

**★★ লকডাউন খুলিলে কেন্দ্ৰ-মন্দিৰৰ অতিথি আবাসত থকাৰ বিষয়ে কি কি বিধিনিষেধ পালন কৰিব লাগিব আৰু ভান্ডাৰা চলোৱাৰ বিষয়ে কি কৰিব লাগিব?**

**★★ কেন্দ্ৰ-মন্দিৰসমূহ ৰোগ বা দূষণমুক্ত ৰখা যাব কিভাবে?**

★★ কেন্দ্ৰ মন্দিৰসমূহত জনসাধাৰণৰ প্ৰবেশৰ ক্ষেত্ৰত প্ৰাথমিকভাবে অবশ্যপালনীয় সদাচাৰ-বিধি, যথা–ফেচমাস্ক, চেনিটাইজাৰ, সামাজিক দূৰত্ব ইত্যাদি প্ৰয়োগ বাধ্যতামূলক কৰা উচিত নে?

উত্তৰ:—

**এতিয়াও কেন্দ্ৰ-মন্দিৰৰ অতিথি আবাসত অবস্থানৰ ব্যবস্থা বা ভাণ্ডাৰা ইত্যাদিৰ আয়োজন নকৰাই শ্ৰেয়।** যেতিয়াই সৰ্বাংশে তেনে পৰিস্থিতিৰ সৃষ্টি হব, তেতিয়া সেই সিদ্ধান্ত লোৱা হব। বৰ্তমান সময়ত আভ্যন্তৰীণ লকডাউন মানি চলাই উচিত।

জনসমাগম যিমান এৰাই চলিব পৰা যায়, যিসকলে কেন্দ্ৰ-মন্দিৰত বাস কৰে তেওঁলোকে বাহিৰত যিমান মিলামিচা কম কৰিব পাৰে, আৰু মাস্ক, ডিস্ট্যান্সিং, চেনিটাইজেছন এইবোৰৰ সদ্ব্যবহাৰ যিমান কৰিব পৰা যায়, সিমানে দূষণমুক্ত থকা সম্ভব। **কেন্দ্ৰ-মন্দিৰসমূহত জনসাধাৰণৰ প্ৰবেশৰ ক্ষেত্ৰত (অবশ্যই নিয়ন্ত্ৰিত ভাবে) প্ৰাথমিকভাবে অবশ্য-পালনীয় সদাচাৰ-বিধি, তথা ফেচমাস্ক, চেনিটাইজেছন, সামাজিক দূৰত্ব ইত্যাদিৰ প্ৰয়োগ বাধ্যতামূলক।**

## যাজন-দীক্ষা-পাঞ্জা-সংক্ৰান্ত

প্ৰশ্ন:–

★★ বৰ্তমান দীক্ষা দিব পৰা যাব নেকি, আৰু একেলগে কেইজনক দীক্ষা দিব পৰা যাব? ঋত্বিকসকলে ক'ত, কি কি পৰিস্থিতিত আৰু কিভাবে দীক্ষাদান কৰিব পাৰিব? দীক্ষাপ্ৰাৰ্থীক দীক্ষাদানৰ বিষয়ে বা গণদীক্ষাৰ বিষয়ে কৰ্মীসকলৰ কি কৰণীয়?

★★ নগৰ, গ্ৰামত যাজন পৰিক্ৰমা আৰু কাৰোবাৰ ঘৰত দীক্ষাৰ ব্যবস্থা কৰা যাব নে নাই? মানুহক নিজৰ কাষলৈ বা ঘৰলৈ মাতি দীক্ষাদান কৰা যাব নে নাই?

উত্তৰঃ–

সৰ্বাবস্থাতে ইষ্টৰ সৈতে যুক্ত থকা আৰু পাৰিপাৰ্শ্বিকক ইষ্টৰ সৈতে যুক্ত কৰি তোলাৰ প্ৰচেষ্টা আমাৰ নিত্য কৰণীয়।

**দীক্ষাপ্ৰাৰ্থীক দীক্ষা দিয়া অবশ্যই উচিত, কিন্তু বৰ্তমান পৰিস্থিতিত সেয়া কি ভাবে কিমানখিনি কাৰ্যকৰি কৰা যায়, সেই বিষয়টোও লক্ষ্য ৰখা একান্তই প্ৰয়োজন।**

**বিশেষকৈ, দীক্ষাপ্ৰাৰ্থীৰ সাম্প্ৰতিক ভ্ৰমণ-বৃত্তান্ত আৰু দৈনন্দিন জনসংযোগৰ বিষয়ে ভালদৰে জানি, বুজি, বিচাৰ কৰি সিদ্ধান্ত লব লাগিব।**

**নিজে সংক্ৰামিত হোৱা আৰু অন্যৰ সংক্ৰমণৰ সুযোগ সৃষ্টি কৰা– কোনোভাবেই বাঞ্চনীয় নহয়।**

সেই বাবে সকলো কামেই গণ্ডীৰ মাজত থাকি সংযত হৈ যিমান কৰিব পৰা যায়, সেইভাবেই কৰিব লাগিব। যি সাবধানতা অবলম্বন কৰা উচিত, সেইবোৰ অবশ্যই অবলম্বন কৰিব লাগিব।

**একেলগে বহু মানুহক এই পৰিস্থিতিত দীক্ষাদান নকৰাই শ্ৰেয়।**

**আৰু কিছুদিন গাৱঁত, নগৰত বা ঘৰে ঘৰে পৰিক্ৰমাৰ মাধ্যমেৰে দীক্ষাকাৰ্য্যও স্থগিত ৰখা উচিত।**

**প্ৰশ্নঃ–**

**★★ যাজন-কাৰ্য্যত ঘৰে ঘৰে যোৱা যাব নে?**

**উত্তৰঃ–**

যিমানখিনি সম্ভৱ প্ৰত্যক্ষ শাৰীৰিক নৈকট্য পৰিহাৰ কৰা যায় সিমানেই ভাল। কাৰ ঘৰত কেনেধৰণৰ পৰিস্থিতি, ৰোগৰ সংক্ৰমণ কৰবাত আছে নেকি, সেয়া বুজাটো নিতান্তই অসম্ভৱ। তদুপৰি, যাৰ ঘৰলৈ যোৱা হব, তেওঁ সেইটো কিভাবে গ্ৰহণ কৰে, সেইটোও বিচাৰ্য্য।

**প্ৰশ্নঃ–**

**★★ যাজন-কাৰ্য্যত কাৰোবাৰ ঘৰলৈ গলে খাদ্যদ্ৰব্য বা পানীয় গ্ৰহণ কৰা সমীচীন নে?**

**উত্তৰঃ–**

অচিনাকী নজনা মানুহৰ লগত হঠাৎ খাদ্য-পানীয়ৰ সংশ্ৰব সৃষ্টি কৰা সদাচাৰৰ ফালৰ পৰা কোনোমতেই বাঞ্চনীয় নহয়; **ই সৰ্বতোভাবে শাৰীৰিক আৰু মানসিক সদাচাৰ পৰিপালনৰ অন্তৰায় আৰু পৰমদয়ালৰ অভিপ্ৰেত আচৰণো নহয়।** বৰ্তমান পৰিস্থিতিত তো আৰু বেছিকৈ এই সকলোবোৰ বিষয় স্মৰণত ৰখা উচিত।

**প্ৰশ্নঃ–**

**★★ যিসকলৰ নববৰ্ষত পাঞ্জা ৰিনিউ আছিল বা অহা কনফাৰেন্সত যাৰ ৰিনিউ আছে, তেওঁলোকৰ ক্ষেত্ৰত কি নিৰ্দেশ?**

**উত্তৰঃ–**


©SATSANG

পাঞ্জা ৰিনিউ কৰিব হলে দেওঘৰ আহিব লাগিব, যিটো বৰ্তমানে সম্ভৱ নহয়। ঝাড়খণ্ডত আপাততঃ ৩০ জুন পৰ্যন্ত লকডাউন বৃদ্ধি কৰা হৈছে। **দীক্ষাদাতা কৰ্মীসকলে পাঞ্জাৰ মিয়াদ শেষ হলে ৰিনিউ নোহোৱা পৰ্যন্ত দীক্ষা নিদিব। যিসকল কৰ্মীৰ পাঞ্জা ৰিনিউ কৰিব লাগিব, ঋত্বিক কাৰ্য্যালয়ৰ পৰা তেওঁলোকক মোবাইল ফোনত সময়মতে মেচেজ পঠোৱা হব।**

## বিবিধ সংক্ৰান্তত

**প্ৰশ্নঃ–**

**★★ লকডাউন খুলিলে সপৰিবাৰে ঠাকুৰ আশ্ৰমলৈ যোৱা যাব নে? গলে কেইজন যাব পাৰিব? আশ্ৰমত ভক্ত সাধাৰণৰ আগমনৰ বিষয়ে সুস্পষ্ট নিৰ্দেশিকা কি? যোৱাৰ অনুমতি পালে, আগতে ভক্তসকলে কি কি ব্যৱস্থা অৱলম্বন কৰিব লাগিব?**

**উত্তৰঃ–**

ঝাড়খণ্ড ৰাজ্যত লকডাউন আপাততঃ ৩০ জুন পৰ্যন্ত থাকিব। লকডাউন উঠি গলে কি কৰণীয় সেয়া যথা সময়ত জানোৱা হব।

**আশ্ৰমলৈ অহাৰ বিষয়ে জানিবলৈ কাৰো ব্যক্তিগত নম্বৰত যোগাযোগ নকৰি, Communication Center–ত (18003450122) যোগাযোগ কৰিব লাগিব ৩০ জুনৰ পিছত। বৰ্তমান ইয়াত সমস্ত অতিথি আবাস (Guest House) সহ সুবিধান কাৰ্যালয় (Accomodation Department) বন্ধ হৈ আছে ।**

**প্ৰশ্নঃ–**

**★★ অনলাইন সৎসঙ্গ কৰাৰ অনুমোদন আছে নে, বহুতে জানিবলৈ বিচাৰিছে? এই সম্পৰ্কে বহু মতামতৰ সৃষ্টি হৈছে।**

**উত্তৰঃ–**

উদ্দেশ্য যদি প্ৰকৃততে ইষ্টৰ স্মৰণ, মনন, গুণাণুকীৰ্তন আৰু অনুধ্যান হয়, তেনেহলে যিকোনোভাবে বা মাধ্যমেৰে সেয়া কৰিব পৰা যায়।

**প্ৰশ্নঃ–**

**★★ বহু কেন্দ্ৰ-মন্দিৰ, উপযোজনা কেন্দ্ৰ ইত্যাদিয়ে চৰকাৰী ত্ৰাণ শিতানত সাহায্যাৰ্থে অৰ্থ জমা দিছে, অথচ স্থানীয় অনেক দীক্ষিত দুঃস্থ মানুহে বহু কষ্টত দিন যাপন কৰিছে। এইক্ষেত্ৰত কি কৰণীয়?**

**উত্তৰঃ–**


©SATSANG

বহু কেন্দ্ৰ-মন্দিৰ, উপযোজনা কেন্দ্ৰ ইত্যাদিয়ে এই সকলোবোৰ কৰাৰ লগতে আকৌ পৰিবেশৰ দীক্ষিত-অদীক্ষিত নিৰ্বিশেষে সমস্ত দুঃস্থ মানুহক অন্ন-বস্ত্ৰৰ দৈনন্দিন জোগান ধৰি আহিছে। আনকি, বহু স্থানত পশু-পক্ষীৰো খাদ্য-জোগানৰ বন্দোবস্ত সৎসঙ্গী ভক্ত-অনুৰাগীসকলে কৰিছে। **পৰিবেশত মানুহ সচেতন আৰু সক্ৰিয় হলে, আনকি দুজন মানুহেও ভাৱনা-চিন্তাত এক হৈ জীৱনবৃদ্ধিৰ শুভ প্ৰচেষ্টাত অগ্ৰসৰ হলে যি কৰিব পাৰে, তেতিয়া আৰু অন্য কাকো দোষাৰোপ কৰাৰ প্ৰয়োজন নহয়।**

**প্ৰশ্নঃ–**

**★★ এই মহামাৰিৰ প্ৰকোপৰ পৰা বচাৰ কাৰণে বা সংক্ৰামিত নোহোৱাকৈ থাকিবলৈ বিশেষ নিৰ্দেশিকা কি?**

**উত্তৰঃ–**

**সুনিষ্ঠ-ভাবে যজন-যাজন-ইষ্টভৃতিপৰায়ণ হৈ, সক্ৰিয় তৎপৰতাৰে স্বস্ত্যয়নীৰ জীৱনীয় পঞ্চনীতি পৰিপালন কৰা আৰু সৰ্বতোভাবে সদাচাৰী আচৰণত অভ্যস্ত হৈ চলা; আৰু অবশ্যই বিধিনিয়ম যেতিয়া যি অবস্থাত যেনে প্ৰযোজ্য সেয়া মান্য কৰি চলা– এনেভাবে চলিব পাৰিলে বহুলাংশেই ৰক্ষা পোৱা যায়।**

## <u>ভোগ-মেন্টেনেন্স সংক্ৰান্ত</u>

**প্ৰশ্নঃ–**

**১।বহুত কেন্দ্ৰ-মন্দিৰত কিছু কিছু মেনটেনেন্স বা ৰঙৰ কাম অনেকদিন ধৰি কৰা দৰকাৰ। এইয়া কি কৰা যাব?**

**২।বহু জেগাত কনস্ট্ৰাকছনৰ কাম স্থগিত হৈ আছে। সেয়া আকৌ আৰম্ভ কৰিব পৰা যাব নে? বিশেষকৈ যিসমূহ জেগা গ্ৰীন জোনত পৰিছে?**

**৩। মেনটেনেন্স আৰু কনস্ট্ৰাকছন–এই দুটা বিষয়ত ফিলানথ্ৰপীৰ লগত যোগাযোগৰ প্ৰয়োজন হয়। সেই ক্ষেত্ৰত কি কৰণীয়?**

**৪। অসমাপ্ত মন্দিৰৰ কাম আকৌ আৰম্ভ কৰা যাব নে? মন্দিৰৰ কামৰ বাবত ফিলানথ্ৰপীৰ পৰা অৰ্ঘ্য তোলাৰ প্ৰয়োজন। মেনটেনেন্সৰ কাৰণেও একেই। এই ক্ষেত্ৰত কি কৰণীয়?**


©SATSANG

৫। যিসকল কেন্দ্ৰ-মন্দিৰৰ সাধ্য-সামৰ্থ্য তুলনামূলকভাবে কম, সেইসকলৰ ভোগৰ উপকৰণ আৰু অৰ্ঘ্যাদিৰ সমন্ধে দৈনন্দিন সংগ্ৰহৰ ওপৰতেই নিৰ্ভৰশীল হৈ থাকিব লগা হয়। লকডাউনৰ সময়ৰ পৰা এই বিষয়ত অসুবিধাৰ সৃষ্টি হৈছে। এতিয়া এইবোৰ স্বাভাবিকভাবে কৰা যাব নে?

৬। ঠাকুৰভোগ আৰু মেনটেনেন্স, এই দুটি ক্ষেত্ৰত ফিলানথ্ৰপীৰ পৰা অৰ্ঘ্য তোলাৰ প্ৰয়োজন হয়, যি এতিয়া বন্ধ আছে। সেয়েহে এই ক্ষেত্ৰত সাংঘাতিক অসুবিধাৰ সম্মুখীন হব লগা হৈছে। এই অবস্থা স্বাভাবিক কেতিয়া হব। বিশেষকৈ ঠাকুৰভোগ তো বন্ধ কৰা নাযাব!

৭। আমফান ধুমুহাত অনেক কেন্দ্ৰ-মন্দিৰৰ কম বেছি বিভিন্ন ধৰণৰ ক্ষয়ক্ষতি হৈছে, যিবোৰ আশু মেৰামতিৰ বাবে শীঘ্ৰেই কাম আৰম্ভ কৰা প্ৰয়োজন। ইয়াৰ কাৰণে অৰ্ঘ্য-সংগ্ৰহ, ফিলানথ্ৰপীত জমা দিয়া, আকৌ দৰখাস্ত দি টকা তোলা–এই সকলোবোৰ এক দীৰ্ঘমিয়াদী প্ৰক্ৰিয়া। কিন্তু কাম নকৰিলেও নহয়। এই ক্ষেত্ৰত কি কৰা হব?

**উত্তৰ:–**

**বৰ্তমান পৰিস্থিতিত চৰকাৰী অনুমতি বা নিৰ্দিষ্ট চাৰ্কুলাৰ নাথাকিলে কোনো Construction–ৰ কাম কৰা নাযাব।**

স্থানীয় প্ৰশাসনৰ অনুমতিসাপেক্ষে সৰু-সৰু থুলমূলীয়া খুব প্ৰয়োজনীয় কাম যিমানখিনি সম্ভৱ লেবাৰ-মিস্ত্ৰী নলগোৱাকৈয়ে নিজে কৰা যায়, তেনেকুৱাকৈ কৰিব পাৰিব।

মোবাইলৰ মাধ্যমেৰে যোগাযোগ কৰি কাম চলাবপৰাকৈ প্ৰয়োজনীয় অৰ্ঘ্য সংগ্ৰহ কৰাৰ চেষ্টা কৰিব লাগিব।

উপযোজনা কেন্দ্ৰত পৃথক ডিপ'জিট স্লিপত (ইষ্টভৃতিৰ অৰ্ঘ্য যি ফৰ্মত জমা হোৱা নাই) নিৰ্দিষ্ট কেন্দ্ৰ-মন্দিৰৰ ক'ড উল্লেখ কৰি প্ৰয়োজনীয় অৰ্ঘ্য জমা দিব পাৰিব। যি কেন্দ্ৰ-মন্দিৰৰ ভোগ, Maintenance ইত্যাদিৰ কাৰণে ফিলানথ্ৰপীৰ পৰা অৰ্ঘ্য তোলা প্ৰয়োজন, সেই কেন্দ্ৰ-মন্দিৰৰ পেড বা লেটাৰ-হেডত মন্দিৰৰ ক'ড উল্লেখ কৰি আৰু ইয়াৰ পূৰ্বে সৰ্বশেষ কিমান টকা অৰ্ঘ্য কেতিয়া তোলা হৈছে সেইটো জনাই, বৰ্তমান অৰ্ঘ্য তোলাৰ কাৰণ আৰু পৰিমাণ জনাই ফিলানথ্ৰপীৰ পৰা স্বীকৃত উক্ত কেন্দ্ৰ-মন্দিৰৰ ভাৰপ্ৰাপ্ত কৰ্মীৰ নাম, স্বাক্ষৰ, তেওঁৰ যি বেংক একাউন্টত অৰ্ঘ্য পঠিওৱা হব তাৰ সম্পূৰ্ণ বিবৰণ(একাউন্ট নম্বৰ আৰু IFSC code), তেওঁৰ


©SATSANG

পাচ-বুক আৰু চেকৰ স্কেন কৰা কপি সহ satsangphilanthropy@gmail.com, এই e-mail ID-ত e-mail কৰি সৎসঙ্গৰ চেক্রেটাৰীৰ ওচৰত দৰখাস্ত কৰিব লাগিব।

SCAN TO AUTHENTICATE
WITH satsang.org.in

satsangofficial satsangofficial satsangdeoghar satsangofficial

www.satsang.org.in



©SATSANG